**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-05-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***

**:::::::::::::::::::::::::::::::**

১। দেশৰ প্ৰতিখন ৰাজ্যত কমেও এখন আন্তঃৰাষ্ট্ৰীয় মানৰ পৰ্যটনথলী বিকশাই তুলিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান।

২। সম্ভাব্য বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ধেমাজি আৰু মাজুলী জিলা প্ৰশাসনৰে মন্ত্ৰী কেশৱ মহন্তৰ পৰ্যালোচনা বৈঠক।

৩। অপাৰেচন সিন্দূৰৰ সফলতা আৰু দেশৰ সৈনিকসকলৰ বীৰগাথা প্ৰচাৰৰ আকাশবাণীৰ শৃংখলাত আজি মৰিগাঁৱৰ শ্বহীদ জোৱান চিত্ৰ শইকীয়াৰ ভাতৃ প্ৰকাশ শইকীয়াৰ অভিমত।

৪। উত্তৰ-পূবত প্ৰতিবছৰে খেলো ইণ্ডিয়া উত্তৰ-পূব ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াৰ প্ৰকাশ। ***আৰু***

৫। শুভমন গিলৰ নেতৃত্বত ইংলেণ্ড ভ্ৰমণসূচীৰ বাবে ভাৰতীয় টেষ্ট দল ঘোষণা।

০০০০

আন্তৰাষ্ট্ৰীয় মানৰ সৈতে তাল মিলাই দেশৰ প্ৰতিখন ৰাজ্যত সকলো সা-সুবিধা আৰু আন্তঃগাথনি সম্পন্ন কমেও এখন পৰ্যটনথলী বিকশাই তুলিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনাইছে। নতুন দিল্লীত আজি নীতি আয়োগৰ দশম প্ৰশাসনীয় পৰিষদৰ বৈঠকত অধ্যক্ষতা কৰি শ্ৰীমোদীয়ে এই আহ্বান জনায়। তেওঁ কয় যে এখন ৰাজ্য- এটা গোলকীয় লক্ষ্যস্থান শীৰ্ষক নীতিয়ে ৰাজ্যখনৰ চুবুৰীয়া মহানগৰসমূহো পৰ্যটনস্থলী হিচাপে গঢ়ি তুলিব। ভাৰতবৰ্ষৰ দ্ৰুতগতিত নগৰীকৰণ হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে মহানগৰসমূহত ভৱিষ্যমুখী কৰি তোলাৰ অত্যন্ত প্ৰয়োজন আছে। উন্নয়নৰ গতি দ্ৰুত কৰি তুলিবলৈ কেন্দ্ৰীয় চৰকাৰৰ সৈতে সকলো ৰাজ্যক একগোট হৈ টীম ইণ্ডিয়া হিচাপে কাম কৰিলে কোনো লক্ষ্যত উপনীত হোৱাটো অসম্ভৱ নহয় বুলি তেওঁ মন্তব্য কৰে। বিকশিত ভাৰত প্ৰতিগৰাকী ভাৰতীয়ৰ লক্ষ্য বুলি উল্লেখ কৰি তেওঁ কয় যে প্ৰতিখন ৰাজ্যৰ বিকাশ হ'লে ভাৰত বিকশিত ৰাষ্ট্ৰৰূপে পৰিগণিত হ'ব। এই অনুষ্ঠানত কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰী, কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী, নীতি আয়োগৰ উপাধ্যক্ষ, মুখ্য কাৰ্যবাহী বিষয়াকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

০০০০

ৰাজহ, দুৰ্যোগ প্ৰশমন, তথ্য প্ৰযুক্তি তথা অন্যান্য দপ্তৰৰ মন্ত্ৰী কেশৱ মহন্তই আজি ধেমাজি আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত সম্ভাব্য বান পৰিস্থিতিৰ মোকাবিলা সন্দৰ্ভত আলোচনা কৰে। ধেমাজী আৰু মাজুলী জিলাৰ প্ৰশাসনিক বিষয়াবৰ্গৰ সৈতে আলোচনা কৰি মন্ত্ৰীগৰাকীয়ে দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। মন্ত্ৰী শ্ৰীমহন্তই সম্ভাব্য বান পৰিস্থিতিৰে ক্ষিপ্ৰতাৰে মোকাবিলা কৰি জনসাধাৰণক তাৎক্ষণিকভাৱে সকাহ দিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশনা প্ৰদান কৰে। পৰ্যালোচনা সভাত

জিলা দুখনত চলি থকা বসুন্ধৰা তৃতীয় সংস্কৰণৰ অগ্ৰগতিৰ সন্দৰ্ভতো প্ৰশাসনৰ সৈতে বিস্তৃতভাৱে আলোচনা কৰি ক্ষিপ্ৰতাৰে কামসমূহ সম্পূৰ্ণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। বানৰ লগত মোকাবিলা কৰিব পৰাকৈ ৰাজ্য চৰকাৰ সম্পূৰ্ণৰূপে সক্ষম বুলি মন্ত্ৰীগৰাকীয়ে লগতে প্ৰকাশ কৰে। তেওঁ কয়, যে ধেমাজিত ৩০ জনীয়া ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বিভাগৰ দল, ৰাজ্যিক দুৰ্যোগ প্ৰশমন বাহিনী আৰু উদ্ধাৰকাৰ্যত ব্যৱহৃত নাও সম্পূৰ্ণৰূপে সাজু কৰি ৰখা হৈছে।

**বাইট (কেশৱ মহন্ত)**

আজিৰ এই পৰ্যালোচনা বৈঠকত জোনাইৰ বিধায়ক ভূবন পেগুয়েও অংশগ্ৰহণ কৰে।

০০০০

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সেনা বাহিনীয়ে লাভ কৰা সফলতাৰ পটভূমিত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰৰ শৃংখলাত আজি আমি লৈ আহিছো মৰিগাওঁ জিলাৰ জাগীভকত গাওঁৰ শ্বহিদ জোৱান চিত্ৰ শইকীয়াৰ ভাতৃ প্ৰকাশ শইকীয়াৰ অভিমত। ২০১৫ চনৰ ১১ চেপ্তেম্বৰত পাকিস্তানী উগ্ৰপন্থীৰ বিৰুদ্ধে যুজ দি শ্বহিদ হোৱা জোৱানগৰাকীৰ পৰিয়ালে গৰ্বেৰে শ্বহিদগৰাকীৰ আত্মবলিদান সোঁৱৰে। শ্বহিদগৰাকীৰ ভাতৃয়ে আমাৰ মৰিগাওঁৰ সংবাদদাতা ডালিম ফুকনৰ আগত তেওঁৰ ভাতৃৰ ত্যাগ আৰু অপাৰেশ্বন সিন্দূৰ অভিযান সম্পৰ্কে এই মত ব্যক্ত কৰে।

**(বাইট)**

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ যোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানৰ জৰিয়তে কাইলৈ দিনৰ ১১ বজাত দেশ-বিদেশৰ লোকৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব আকাশবাণীৰ মাহেকীয়া অনুষ্ঠানটোৰ ১২২ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কত প্ৰচাৰিত হ'ব। এই অনুষ্ঠান AIR News ৱেবছাইট আৰু News on AIR ম'বাইল এপযোগেও শুনিব পৰা যাব। এয়াৰ নিউজ, ডিডি নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰ্যালয়ৰ ইউটিউব চেনেলত এই অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ পাছতে আকাশবাণী গুৱাহাটী কেন্দ্ৰই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০

উত্তৰ-পূৰ্বাঞ্চলত ক্ৰীড়া প্ৰতিভাৰ বিকাশৰ বাবে খেলো ইণ্ডিয়া উত্তৰ পূৰ ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন কৰা হব বুলি কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই প্ৰকাশ কৰিছে। আজি নতুন দিল্লীত আয়োজিত ৰাইজিং নৰ্থ ইষ্ট বিনিয়োগকাৰী শীৰ্ষ সন্মিলন ২০২৫ৰ আজি সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে এই কথা উল্লেখ কৰে। তেওঁ কয় যে প্ৰতিবছৰে আয়োজন কৰিবলগীয়া এই উৎসৱত অলিম্পিকত অন্তৰ্ভুক্ত ক্ৰীড়াসমূহৰ লগতে পৰম্পৰাগত ক্ৰীড়াও অন্তৰ্ভুক্ত কৰা হব।

বাইট

ক্ৰীড়ামন্ত্ৰীগৰাকীয়ে খেলো ইণ্ডিয়া ক্ৰীড়া প্ৰতিযোগিতাত দেশক ক্ৰীড়া ক্ষেত্ৰত উত্তৰণ ঘটোৱাৰ মূল চাবিকাঠি বুলিও উল্লেখ কৰে। এই অনুষ্ঠানত অংশ লৈ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ ৰাজ্যমন্ত্ৰী অনুপ্ৰিয়া পেটেলে কয়,

যে স্বাস্থ্য সেৱা সুলভ আৰু  গুণগত মানসম্পন্ন কৰি তোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহৰ সৈতে সহযোগিতাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।  তেওঁ কয় যে, ব্যক্তিগত খণ্ডই উত্তৰ পূৰ্বাঞ্চলৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব পাৰে। চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ জনসাধাৰণৰ কল্যাণৰ বাবে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে বুলিও মন্তব্য কৰে। সন্মিলনত অংশ লৈ উত্তৰ পূৰ্বাঞ্চলৰ বিকাশ ত্বৰান্বিত কৰাত নবীকৰণযোগ্য শক্তিখণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি নতুন আৰু নবীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বিগত ১১ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ-পূবত অভূতপূৰ্ব উন্নয়ন পৰিলক্ষিত হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে উত্তৰ-পূবত অব্যৱহৃত নবীকৰণযোগ্য শক্তিৰ বিশাল সম্পদ আছে। তেওঁ কয়, যে শক্তিৰ বৃৰ্ধিত চাহিদাৰে এই প্ৰাকৃতিক সুবিধাসমূহৰ সহায়ত দেশৰ সেউজ বিকাশৰ পৰিকল্পনাসমূহত উত্তৰ-পূব অঞ্চলে গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। উত্তৰ-পূবৰ পৰিৱৰ্তন তথা ইয়াৰ সম্ভাৱনাসমূহ ব্যৱহাৰৰ দিশত অংশগ্ৰহণ তথা বিনিয়োগৰ বাবে আগবাঢ়ি আহিবলৈ শ্ৰীযোশীয়ে উদ্যোগপতি তথা বিনিয়োগকাৰীসকলৰ প্ৰতি আহ্বান জনায়।

আজি সামৰণি পৰিবলগীয়া এই সন্মিলনত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই এখন আলোচনা সত্ৰত ভাষণ দিয়ে। ৰাজ্যৰ উদ্যোগ আৰু বাণিজ্য  মন্ত্ৰী বিমল বৰাইও আজি এই অনুষ্ঠানত অংশ লৈ মতামত ব্যক্ত কৰে। উত্তৰ পূৱ উন্নয়ন মন্ত্ৰালয়ে আয়োজন কৰা এই দুদিনীয়া সন্মিলনত কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী আৰু দেশ বিদেশৰ মন্ত্ৰীয়ে অংশ লয়। এই সময়ছোৱাত ৰাজ্যখনৰ উন্নয়নৰ বাবে বিনিয়োগ আৰু বাণি্জ্য সম্পৰ্কীয় কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হয় বুলি তেঁও উল্লেখ কৰে।  ০০০

০০০০

অসম আৰক্ষীয়ে দেশ বিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে  অভিযান অব্যাহত ৰাখিছে। এই অভিযানৰ অধীনত এই পৰ্যন্ত ৭৬ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। শেহতীয়াকৈ নলবাৰী, দক্ষিণ শালমাৰা মানকাচৰ আৰু কামৰূপ আৰক্ষীয়ে ক্ৰমে কুৰবান আলী, আমিৰুল ইছলাম আৰু ৰছিদ শিকদাৰক দেশ বিৰোধী কাৰ্যকলাপৰ বাবে গ্ৰেপ্তাৰ কৰিছে। সামাজিক মাধ্যমত পাকিস্তানক সমৰ্থন কৰি প’ষ্ট দিয়াৰ অভিযোগত লোককেইজনক গ্ৰেপ্তাৰ কৰা হয়। এই বিষয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে।

০০০০

মটক ৰাজ্যৰ প্ৰতিষ্ঠাপক ৰজা সৰ্বানন্দ সিংহৰ স্মৃতি দিৱস উপলক্ষে আজি মটক জনজাতি বসতিপ্ৰধান অঞ্চলসমূহত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সাহস, বীৰত্ব আৰু স্বদেশপ্ৰেমৰ অম্লান নিদৰ্শনেৰে অসমীয়া জাতিক উদ্বুদ্ধ কৰি যোৱা মটক ৰজাগৰাকীৰ স্মৃতি দিৱসত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তেওঁলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। মুখ্যমন্ত্ৰীয়ে এটা বাৰ্তাত মহান বীৰ পুৰুষগৰাকীৰ ত্যাগ, সাহস আৰু আত্মবলিদানৰ গাথা জাতিটোৰ বাবে অনুপ্ৰেৰণা হৈ ৰ’ব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে সৰ্বানন্দ সিংহই দেখুৱাই যোৱা স্বদেশপ্ৰেমৰ ভাৱনাৰে নিজকো উদ্বুদ্ধ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

০০০০

তিনিচুকীয়া আৰক্ষীয়ে আজি পুৱাৰ ভাগত অসম-অৰুণাচল সীমান্তৰ জংঘলত অভিযান চলাই  নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ সদস্য ৰূপম অসমক আটক কৰে। আৰক্ষীয়ে সদস্যজনৰ পৰা অস্ত্ৰ-শস্ত্ৰ আৰু অন্যান্য সামগ্ৰী উদ্ধাৰ কৰিছে। তিনিচুকীয়া আৰক্ষীয়ে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সহযোগত আলফা স্বাধীনৰ অন্যান্য সদস্যসকলৰ সন্ধানত সীমান্ত অঞ্চলত অভিযান অব্যাহত ৰাখিছে।

০০০০

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ প্ৰাৰম্ভিক পৰীক্ষা কাইলৈ অনুষ্ঠিত হ'ব। দেশৰ বিভিন্ন কেন্দ্ৰৰ লগতে গুৱাহাটীৰ মুঠ ২৬ টা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হ'ব। গুৱাহাটীৰ পৰীক্ষা কেন্দ্ৰসমূহত মুঠ ১০ হাজাৰ ৫৮৭ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত আৰক্ষীয়ে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত কেতবোৰ নীতি নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি পৰীক্ষাকেন্দ্ৰৰ এশ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত পৰীক্ষাৰ্থী, পৰীক্ষা পৰিচালনাৰ সৈতে জড়িত বিষয়া, আৰক্ষী, আৰু চৰকাৰ অথবা জিলা আয়ুক্তৰ কৰ্তৃত্বপ্ৰাপ্ত লোকৰ বাহিৰে আন লোকৰ প্ৰৱেশ নিষিদ্ধ কৰা হৈছে।

০০০০

মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ হাতত নিহত হোৱা উত্তৰ প্ৰদেশৰ কানপুৰৰ শুভম দ্বিবেদীৰ বাসগৃহত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে প্ৰয়াত শুভম দ্বিবেদীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। তেওঁ লগতে অসম চৰকাৰৰ তৰফৰ পৰা আগবঢ়োৱা ৫ লাখ টকাৰ চেক দ্বিবেদীৰ পৰিয়ালবৰ্গক অৰ্পণ কৰে।

০০০০

কাৰ্বি আংলং জিলাৰ খটখটীত আৰক্ষীয়ে চলোৱা অভিযানত মাদক দ্ৰব্যসহ এজন সৰবৰাহকাৰীক আটক কৰিছে। খটখটী আৰক্ষীয়ে চলোৱা অভিযানত এখন ট্ৰাকৰ গোপন চেম্বাৰত লুকুৱাই অনা মৰফিন জব্দ কৰা হৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে উত্তৰ প্ৰদেশৰ এজন লোকক গ্ৰেপ্তাৰ কৰে। উদ্ধাৰ কৰা মাদক দ্ৰব্যখিনিৰ মূল্য ৫ কোটি টকা হ'ব বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। মণিপুৰৰ পৰা উত্তৰ প্ৰদেশ অভিমুখে গৈ থকা অৱস্থাত ট্ৰাকখন জব্দ কৰা হৈছে।

০০০০

মণিপুৰৰ উখৰুল জিলাত চলি থকা শ্বিৰুয়ি লিলি উৎসৱৰ আজি সামৰণি পৰিছে। যোৱা ২০ মে'ত আৰম্ভ হোৱা এই উৎসৱৰ আজি শ্বিৰুয়ি গাঁৱৰ বক্সি গ্ৰাউণ্ডত সামৰণি পৰে। ৰাজ্যখনৰ সংস্কৃতিৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ থকা শ্বিৰুয়ি লিলি ফুলৰ সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টিৰ উদ্দেশ্যে এই ৫ দিনীয়া উৎসৱৰ আয়োজন কৰা হৈছিল। সামৰণিৰ দিনা আজি বিভিন্ন সাংস্কৃতিক আৰু মনোৰঞ্জনমূলক অনুষ্ঠানৰ উপৰি চিনেমা প্ৰদৰ্শন, ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেল আৰু অন্যান্য কেতবোৰ কাৰ্যসূচী অনুষ্ঠিত হয়। উল্লেখযোগ্য যে শ্বিৰুয়ি লিলি হৈছে মণিপুৰৰ ৰাজ্যিক ফুল। দুগৰাকী ব্ৰিটিছ স্বামী-স্ত্ৰীয়ে তেওঁলোকৰ গৱেষণা চলাই থকা সময়ত এই দুষ্পাপ্য প্ৰজাতিৰ ফুলবিধ চিনাক্ত কৰিছিল। এই ফুলৰ প্ৰজাতি বিশ্বৰ ভিতৰত কেৱল মণিপুৰৰ উখৰুল জিলাৰ শ্বিৰুয়ি পাৰ্বত্য অঞ্চলতহে পোৱা যায়। যোৱা ২০ মে'ত ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই এই মহোৎসৱৰ শুভাৰম্ভ কৰি ইয়াৰ ভৌগোলিক আৰু সাংস্কৃতিক গুৰুত্বৰ কথা উল্লেখ কৰিছিল। শ্বিৰুয়ি লিলি ফুলৰ সংৰক্ষণ আৰু জনপ্ৰিয়কৰণৰ ক্ষেত্ৰত এই উৎসৱ গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে।

০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে আজি সমাগত ইংলেণ্ড ভ্ৰমণসূচীৰ বাবে ভাৰতৰ টেষ্ট দলটো ঘোষণা কৰিছে। শুভমন গিল নেতৃত্বাধীন জাতীয় দলটোত ছাই সুদৰ্শন নতুন মুখ হিচাপে স্থান লাভ কৰিছে। আনহাতে দীৰ্ঘদিনৰ মূৰত জাতীয় টেষ্ট দলত কৰুণ নায়াৰে স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। উইকেট ৰক্ষক-বেটাৰ ঋষভ

পণ্টক উপ-অধিনায়ক হিচাপে ৰাষ্ট্ৰীয় নিৰ্বাচক মণ্ডলীয়ে নিযুক্তি দিছে। দলটোত ছাই সুদৰ্শন, কৰুণ নায়াৰৰ লগতে পেচ বলাৰ অৰ্শ্বদীপ সিং, বেটাৰ অভিমন্যু ইশ্বৰণে সুযোগ লাভ কৰিছে। ৰোহিত শৰ্মা আৰু বিৰাট কোহলীৰ অৱসৰৰ পাছত ভাৰতীয় টেষ্ট ক্ৰিকেটৰ এটা নতুন যুগ আৰম্ভ হ'ব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে অহা ২০ জুনৰ পৰা ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ টেষ্ট ক্ৰিকেট শৃংখলা অনুষ্ঠিত হ'ব।

০০০০

আই পি এল টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত পঞ্জাব কিংছ, দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০

সদৌ অসম দবা সন্থাৰ উদ্যোগত আজিৰে পৰা গুৱাহাটীত অসম দবা প্ৰিমিয়াৰ লীগ অনুষ্ঠিত হৈছে। উদ্যোগপতি সঞ্জীৱ নাৰায়ণে উদ্বোধন কৰা প্ৰতিযোগিতাখনত ৮টা দলে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতাখনত ৫ জন গ্ৰেণ্ডমাষ্টাৰ আৰু ৭ জন ইণ্টাৰনেচনেল মাষ্টাৰসহ ৫৬ গৰাকী খেলুৱৈয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আজিৰ উদ্বোধনী অনুষ্ঠানত সৰ্বভাৰতীয় দবা সন্থাৰ মুখ্য কাৰ্যবাহী বিষয়া অজিত কুমাৰ বাৰ্মা, জি এম ডি এৰ উপাধ্যক্ষ মুকুতা ডেকা আৰু অসম দবা সন্থাৰ সাধাৰণ সম্পাদক ৰাজীৱ ধৰ উপস্থিত থাকে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সংবাদ মাধ্যমৰ ভূমিকা শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰিব। ইয়াত ভাগ ল'ব বিশিষ্ট গৱেষক, তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° চন্দন শৰ্মা আৰু সংবাদ মাধ্যম বিশেষজ্ঞ ৰামন বৰাই। অনুষ্ঠানটিৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০

সমাপ্ত